পাঠ - ১২

# বাণিজ্যবাদ আৰু ভাৰতলৈ ইউৰোপীয় ব্যৱসায়ীসকলৰ আগমন

**মূল অৰ্হতা ঃ**

- বাণিজ্যবাদৰ ধাৰণাৰ লগত পৰিচয় হ'ব।
- ইউৰোপীয় বণিজসকলৰ ভাৰতলৈ অহাৰ কাৰণসমূহ জানিব।
- ভাৰতৰ বিভিন্ন স্থানত স্থাপন কৰা ইউৰোপীয় বাণিজ্যিক কুঠিৰ বিষয়ে অৱগত হ'ব।
- ভাৰতত ইউৰোপীয়সকলৰ শাসন কালত হোৱা সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ লগত পৰিচয় হ'ব।
- ভাৰতৰ দেশীয় ৰাজ্যসমূহৰ ৰাজনীতিত ইউৰোপীয়সকলৰ হস্তক্ষেপৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব।

সোতৰ শতিকাৰ শেষ আৰু ওঠৰ শতিকাৰ আৰম্ভণিৰ কালছোৱাই ভাৰতৰ ইতিহাসত এক দিক নিৰ্ণয়কাৰী ভূমিকা পালন কৰিছিল। এই সময়ছোৱাত দুটা দিশত ভাৰতবৰ্ষত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হৈছিল। তাৰে এটা হ'ল ভাৰতত ৰাজনৈতিক মানচিত্ৰৰ পট পৰিৱৰ্তন আৰু আনটো হ'ল আৰ্থ-সামাজিক দিশৰ পৰিৱৰ্তন। তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে বাবৰে প্ৰতিষ্ঠা কৰা মোগল সাম্ৰাজ্য ঔৰংজেৱৰ ৰাজত্বকালত ভাঙোনৰ মুখে ধাবিত হৈছিল। তেওঁৰ কঠোৰ শাসন নীতিয়ে মাৰাঠা, শিখ আৰু জাঠসকলক মোগলৰ শাসন ওফৰাই পুনৰ স্বাধীন হ'বৰ বাবে উৎসাহিত কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৭০৭ খ্ৰীষ্টাব্দত ঔৰংজেৱৰ মৃত্যুৰ পাছত মোগল ৰাজবংশৰ কোনো এজন সম্ৰাটে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদ্ভৱ হোৱা বিদ্ৰোহ দমন কৰি মোগল সাম্ৰাজ্যক পুনৰ একত্ৰীকৰণ কৰিব পৰা নাছিল। ফলস্বৰূপে মোগল শাসনৰ দুৰ্বলতাৰ সুযোগ লৈ মোগলৰ শাসনাধীন বিভিন্ন স্থানত বহুতো সৰু সৰু স্বাধীন ৰাজ্যৰ উত্থান হয়। এই ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত আধিপত্য স্থাপনৰ দিশে অগ্ৰসৰ হয়। এই দুয়োটা দিশৰ বিষয়ে থুলমুলকৈ তলত আলোচনা আগবঢ়োৱা হ'ল।

ইংলণ্ডৰ বণিকসকলে দক্ষিণ-পূব এছিয়াৰ বিশেষকৈ ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰ কৰিবলৈ ১৫৯৯ খ্ৰীষ্টাব্দত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী নামৰ এটা বেচৰকাৰী কোম্পানী প্ৰতিষ্ঠা কৰিছিল। ১৬০০ খ্ৰীষ্টাব্দত এই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰাচ্যৰ দেশবোৰৰ লগত ১৫ বছৰৰ বাবে একচেটিয়া বেপাৰ-বাণিজ্য কৰাৰ বাবে ৰাণী প্ৰথম এলিজাবেথৰ পৰা ৰাজকীয় অনুমতিপত্ৰ লাভ কৰে। ইয়াৰ অৰ্থ এয়ে যে প্ৰাচ্যৰ দেশৰ লগত বেপাৰ-বাণিজ্য কৰাৰ ক্ষেত্ৰত ইংলণ্ডৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাহিৰে সেই দেশৰ অইন কোনো কোম্পানীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব। ফলস্বৰূপে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰাচ্যৰ দেশবোৰৰ পৰা কম দামত বস্তু ক্ৰয় কৰি ইউৰোপৰ দেশবোৰত অধিক দামত বিক্ৰী কৰিব পাৰিব। যদিও ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰাচ্যৰ দেশবোৰৰ পৰা কেঁচা সামগ্ৰী সংগ্ৰহ কৰাৰ ক্ষেত্ৰত প্ৰথমাৱস্থাত কোনো প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হোৱা নাছিল পিচে, অধিক কাল ইউৰোপৰ আন আন কোম্পানীবোৰক প্ৰাচ্যৰ দেশবোৰত

সোমোবাৰ ক্ষেত্ৰত বাধা দি ৰাখিব নোৱাৰিলে। উল্লেখযোগ্য যে প্ৰথমখন ইংৰাজ জাহাজ আফ্ৰিকাৰ পশ্চিম উপকূলেৰে উত্তমাশা অন্তৰীপ হৈ ভাৰত মহাসাগৰ পাৰ হয় মানে ইতিমধ্যে পৰ্তুগীজসকলে ভাৰতৰ পশ্চিম উপকূলৰ গোৱাত ঘাটি পাতিছিল। দৰাচলতে ভাস্কো-ডা-গামা নামৰ এজন পৰ্তুগীজ নাবিকে ১৪৯৮ খ্ৰীষ্টাব্দত ভাৰতলৈ অহা জলপথ আৱিষ্কাৰ কৰে। সোতৰ শতিকাৰ আৰম্ভণিতে ডাচ্চ বা ওলন্দাজসকলেও ভাৰত মহাসাগৰেদি বেহা-বেপাৰৰ সম্ভাৱনা দেখে। ইতিমধ্যে ফৰাচী বণিকসকলেও ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীৰ নেতৃত্বত ভাৰতত আহি উপস্থিত হৈছিল।



চিত্ৰ ১২.১ ভাস্কো-ডা-গামা

ভাৰতৰ ইতিহাসত ইউৰোপীয়সকলৰ এই দেশলৈ আগমন এটা গুৰুত্বপূৰ্ণ ঘটনা। ইউৰোপত ভাৰত প্ৰচুৰ ধন-সম্পত্তিৰ দেশ হিচাপে জনাজাত আছিল। প্ৰাচীন কালৰ পৰাই পাশ্চাত্য জগতৰ লগত ভাৰতৰ বেহা-বেপাৰৰ সম্পৰ্ক আছিল। ভাৰতৰ মছলা, বস্ত্ৰ, ৰেছম, ধাতৱ দ্ৰব্য, সোণ, ৰূপ, মূল্যৱান পাথৰ আদিৰ মধ্যযুগৰ ইউৰোপীয় বজাৰত যথেষ্ট চাহিদা আছিল। এইবোৰ সামগ্ৰী কিছু জলপথেৰে আৰু কিছু স্থলপথেৰে ইউৰোপ পাইছিলগৈ। কিন্তু, ১৪৫৩ খ্ৰীষ্টাব্দত তুৰ্কীসকলে কনষ্টান্টিনোপল (ইস্তানবুল) দখল কৰাত সমস্যাৰ সৃষ্টি হ'ল। ইউৰোপ আৰু প্ৰাচ্যৰ দেশৰ মাজত থকা বেহা-বেপাৰৰ পথ তুৰ্কীসকলে বন্ধ কৰি দিয়াত ইউৰোপীয় বেপাৰীসকলে ভাৰত আৰু চীন দেশলৈ আহিবলৈ নতুন সাগৰীয় পথৰ সন্ধান কৰিবলগীয়া হ'ল।

অতীজৰে পৰা পৰ্তুগাল আৰু স্পেইনৰ ৰজাসকলে সেই দেশৰ নাবিকসকলক নতুন সাগৰীয় পথ আৱিষ্কাৰৰ বাবে উৎসাহিত কৰি আহিছিল। এই দিশত পৰ্তুগীজসকল বাটকটীয়া আছিল। ভাৰতৰ ধন-সম্পত্তি আৰু ঐশ্বৰ্য-বিভূতিৰ বাবে কৰা অনুসন্ধানৰ ফলত দৈৱক্ৰমে কলম্বাচৰ দ্বাৰা ১৪৯২ খ্ৰীষ্টাব্দত আমেৰিকা আৱিষ্কাৰ হৈছিল। কেইবছৰমান পিছতেই ১৪৯৮ খ্ৰীষ্টাব্দত পৰ্তুগীজ নাবিক ভাস্কো-ডা-গামাই ভাৰতৰ লগত




চিত্ৰ ১২.২ ভাৰতলৈ ইউৰোপীয়সকলৰ আগমন

প্ৰত্যক্ষ বেহা-বেপাৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আহি কালিকট বন্দৰত পদাৰ্পন কৰে। সেই সময়ত কালিকট প্ৰাচ্যৰ বেহা-বেপাৰ এক মুখ্য বন্দৰ আছিল।

বেহা-বেপাৰৰ এই প্ৰতিদ্বন্দ্বিতাই আন ইউৰোপীয় শক্তিসমূহকো ভাৰতলৈ আহিবলৈ উদ্বুদ্ধ কৰিছিল। নেদাবলেণ্ড, ইংলেণ্ড, ফ্ৰান্স আৰু ডেনমাৰ্কে ১৭ শতিকাতেই ভাৰতত বেহা-বেপাৰৰ বাবে কুঠি স্থাপন কৰিছিল। কিন্তু এইখিনিতে প্ৰশ্ন হয়, এই দেশবোৰক বিশেষকৈ ভাৰতৰ কিহে আকৰ্ষণ কৰিছিল? ইয়াৰ উত্তৰ পাবলৈ আমি ১৬ শতিকাৰ ইউৰোপলৈ পুনৰ ঘূৰি যাব লাগিব।

**ক্ৰিয়াকলাপ ঃ**

- ঔৰঙ্গজেৱৰ মৃত্যুৰ পিছত বহুতো স্বাধীন ৰাজ্য সৃষ্টি হোৱাৰ কাৰণ কি ?
- কোন কোন ইউৰোপীয় দেশে ভাৰতত ব্যৱসায়-বাণিজ্য কৰিবলৈ আহিছিল? ক্ৰমানুসাৰে উল্লেখ কৰা।

১৬ শতিকাৰ পৰা ১৮ শতিকাৰ শেষলৈ পশ্চিম ইউৰোপৰ অৰ্থনীতি বাণিজ্যবাদে নিয়ন্ত্ৰণ কৰিছিল। বাণিজ্যবাদ বুলিলে ব্যৱসায়-বাণিজ্য বা অৰ্থনৈতিক কাৰ্যকলাপ চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰাকে বুজায়। সেই সময়ত ইউৰোপৰ প্ৰধান দেশকেইখনে বৈদেশিক বেহা-বেপাৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছিল। সুচল, সমতাপূৰ্ণ বেহা-বেপাৰৰ যোগেদি সোণ, ৰূপ আদি আহৰণ কৰি দেশৰ সমৃদ্ধি আৰু সামৰিক নিৰাপত্তা নিশ্চিত কৰাত গুৰুত্ব দিছিল। যিয়েই নহওঁক, অচিৰেই এনেকুৱা এটা পৰিস্থিতিৰ উদ্ভৱ হ'ল যে সকলো দেশেই বেপাৰৰ সামগ্ৰী ৰপ্তানী কৰাত গুৰুত্ব দি আমদানী কৰিবলৈ অনিচ্ছুক হ'ল। যদি কোনোৱেই আমদানী নকৰে তেনেহ'লে কালৈ ৰপ্তানী কৰিব? এইবোৰৰ ফলত ইউৰোপত বাণিজ্যই সঘনাই বিভিন্ন প্ৰতিদ্বন্দ্বি ৰাষ্ট্ৰবোৰৰ মাজত যুদ্ধৰ কাৰণ হৈ পৰিছিল আৰু ই উপনিৱেশ সম্প্ৰসাৰণত অনুপ্ৰেৰণা যোগাইছিল। ফলত ইউৰোপৰ দেশবোৰে বিদেশত বাণিজ্য সম্প্ৰসাৰণৰ উদ্দেশ্যে উপনিৱেশ স্থাপনত গুৰুত্ব দিলে। তেওঁলোকে উপনিৱেশবোৰক অন্য দেশৰ লগত বাণিজ্য চলাবলৈ মানা কৰিলে। ১৬ আৰু ১৮ শতিকাত ইংলেণ্ড, নেদাবলেণ্ড, স্পেইন, পৰ্তুগাল, ফ্ৰান্স, ডেনমাৰ্ক আদি ৰাষ্ট্ৰৰ মূল অৰ্থনৈতিক ভেটি আছিল সাম্ৰাজ্যবাদ।

নতুন সাগৰীয় পথৰ আৱিষ্কাৰে বিভিন্ন ইউৰোপীয় জাতিক সমৃদ্ধিশালী ভাৰতৰ সৈতে বেহা-বেপাৰ কৰিবলৈ উৎসাহিত কৰিছিল। বেছি ভাগ দেশেই নিজা নিজা কোম্পানী প্ৰতিষ্ঠা কৰি ভাৰতৰ বিভিন্ন ঠাইত বসতি স্থাপন কৰিছিল। ১৬ শতিকাৰ শেষৰ পিনে গোৱা, ডমন, ডিউ, চালচেটি আৰু তাৰ আশে-পাশে থকা বিস্তীৰ্ণ অঞ্চল পৰ্তুগীজসকলৰ শাসনাধীন আছিল। পিচে আন ইউৰোপীয় বণিকসকল অহাৰ পিছত তেওঁলোক উৎখাত হ'বলগীয়া হ'ল। ওলণ্ডাজসকলে ১৬০৯ খ্ৰীষ্টাব্দত ভাৰতৰ পুলিকটত তেওঁলোকৰ প্ৰথম দুৰ্গটো সাজে। পৰ্তুগীজৰ পৰা তেওঁলোকে নাগপট্টনম দখল কৰে। আগ্ৰা, চুৰাট, মছলিপট্টনম আৰু বঙ্গদেশৰ চুঁচুৰাত তেওঁলোকে বেপাৰৰ কুঠি পাতে। অৱশ্যে ওলণ্ডাজসকলে ভাৰতত সাম্ৰাজ্য পতাৰ উদ্দেশ্যৰে অহা নাছিল। তেওঁলোকৰ প্ৰধান উদ্দেশ্য আছিল বেপাৰ-বাণিজ্যৰ দ্বাৰা অৰ্থনৈতিকভাৱে লাভৱান হোৱা। তেওঁলোকে সুদূৰ প্ৰাচ্যৰ দ্বীপবোৰত মছলাৰ ব্যৱসায়তহে অধিক মনোযোগ দিছিল।

**জানি থওঁ আহা ঃ**

- চহকী আৰু সামৰিকভাৱে শক্তিশালী ৰাষ্ট্ৰবোৰে যেতিয়া ব্যৱসায়-বাণিজ্য, সংস্কৃতি অথবা যুদ্ধৰ দ্বাৰা আন ৰাষ্ট্ৰৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ পোষকতা কৰে তাকেই সাম্ৰাজ্যবাদ বুলি কোৱা হয়। অৰ্থনৈতিক সাহায্য, সামৰিক নিৰাপত্তাৰ দোহাই দিও শক্তিশালী আৰু চহকী ৰাষ্ট্ৰবোৰে দুৰ্বল, স্বাধীন ৰাষ্ট্ৰবোৰৰ ওপৰত সাম্ৰাজ্যবাদী প্ৰভাৱ খটুওৱা পৰিলক্ষিত হয়।

আন আন ইউৰোপীয়সকলৰ দৰে ইংৰাজসকলো ভাৰতীয় সামগ্ৰীৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। তেওঁলোকে ভাৰতৰ লগত পোনপটীয়া বেহা-বেপাৰৰ প্ৰতি মন মেলিছিল। সেই উদ্দেশ্যে ১৬০৯ খ্ৰীষ্টাব্দত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগল সম্ৰাট জাহাঙ্গীৰৰ দৰবাৰলৈ **উইলিয়াম হ'কিন্সক** চুৰাটত এটি ফেক্টৰী স্থাপনৰ বাবে অনুমতি ল'বলৈ পঠিয়ায়। কিন্তু পৰ্তুগীজৰ প্ৰভাৱৰ বাবে সম্ৰাটৰ পৰা সেই অনুমতি নাপালে। পিচে ১৬১৩ খ্ৰীষ্টাব্দত চুৰাটত বাণিজ্য কুঠি এটা খুলিবলৈ মোগল সম্ৰাটৰ পৰা অনুমতি লাভ কৰে। আন এজন ইংৰাজ বণিক **ছাৰ থমাচ ৰোৱে** মোগল সম্ৰাট জাহাঙ্গীৰৰ দৰবাৰলৈ আহি তিনি বছৰ থাকি আগ্ৰা, চুৰাট, আহমেদাবাদ আৰু ব্ৰোচত বাণিজ্যৰ কোঠ পাতিবলৈ অনুমতি পায়। আন এজন ইংৰাজ বণিক ফ্ৰান্সিস্ ডেই এজন স্থানীয় নায়কৰ পৰা মাদ্ৰাজ কিনি লয়। তেওঁ তাত ফোৰ্ট চেন্ট জৰ্জ নামৰ এটা সুৰক্ষিত কাৰখানা স্থাপন কৰে আৰু ১৬৫১ খ্ৰীষ্টাব্দত কলকাতাৰ ওচৰৰ হুগলীত এটা কাৰখানা খোলে। ১৬৬১ খ্ৰীষ্টাব্দত দ্বিতীয় চালৰ্ছে বোম্বাই (মুম্বাই) ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীক লীজত দিয়ে। দ্বিতীয় চাৰ্লছে পৰ্তুগীজ ৰাজকুমাৰীক বিয়া কৰাই বোম্বাই যৌতুক হিচাপে লাভ কৰিছিল। আশ্চৰ্যকৰ কথা এয়ে যে সেই সময়ত বোম্বাইৰ বছৰি ভাৰা আছিল মাত্ৰ ১০ পাউণ্ড (প্ৰায় ৫০০ টকা)। পৰৱৰ্তী সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ঔৰংজেবৰ পৰা কলিকতাত আন এটা কাৰখানা স্থাপনৰ বাবে অনুমতি লাভ কৰে আৰু তাত ফোৰ্ট উইলিয়াম নামৰ এটি দুৰ্গ সাজে।

ক্ৰিয়াকলাপ ঃ
- ইউৰোপীয় সকলক কিহে ভাৰতলৈ আকৰ্ষন কৰিছিল?
- ইউৰোপৰ কোন কেইখন ৰাষ্ট্ৰৰ অৰ্থনীতিৰ মূল ভিত্তি সাম্ৰাজ্যবাদ আছিল?
- ইউৰোপৰ কোনবোৰ ৰাষ্ট্ৰই ভাৰতত বাণিজ্যৰ ঘাটি স্থাপন কৰিছিল?



*চিত্ৰ ১২.৩ ১৭ শতিকাৰ চুৰাট বন্দৰ*

ব্যৱসায়-বাণিজ্য আৰু উপনিৱেশ স্থাপনৰ ক্ষেত্ৰত ভাৰতত ইংৰাজসকলৰ মুখ্য প্ৰতিদ্বন্দ্বী আছিল ফৰাচীসকল। ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী ১৬৬৪ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হৈছিল। ভাৰতত প্ৰথম ফৰাচী ফেক্টৰীটো চুৰাটত ১৬৬৭ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হৈছিল। ১৬৬৯ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত মছলিপট্টনমত আন এটা ফৰাচী ফেক্টৰী স্থাপিত হৈছিল। ১৬৭৪ খ্ৰীষ্টাব্দত পণ্ডিচেৰী ফৰাচীসকলৰ দুৰ্গ আৰু পিছলৈ মুখ্য কাৰ্যালয় হৈ পৰে। ফৰাচীসকলে চন্দননগৰ, বালাচৰ আৰু কাছিমবজাৰতো কুঠি স্থাপন কৰিছিল। মালাবাৰ উপকূলত ফৰাচীসকলে ১৭২৫ খ্ৰীষ্টাব্দত মাহে আৰু ১৭৩৯ খ্ৰীষ্টাব্দত কৰমণ্ডল উপকূলত কাৰাইকল লাভ কৰে।

ভাৰতৰ লগত বেহা-বেপাৰৰ সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰা আন জাতিবোৰ হ'ল ডেনিচ, প্ৰুচিয়ান, ছুইচ আৰু অষ্ট্ৰিয়ানসকল। কিন্তু তেওঁলোকে পৰ্তুগীজ, ওলন্দাজ, ফৰাচী আৰু ইংৰাজৰ লগত ফেৰ মাৰিব নোৱাৰিলে।

সময়ত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে আন ইউৰোপীয় জাতিবোৰক আৰু ভাৰতীয় ৰাজ্যবোৰক চেৰ পেলাই ব্যৱসায়িক আৰু ৰাজনৈতিক উভয় ক্ষেত্ৰতে আধিপত্য বিস্তাৰ কৰিছিল।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ একমাত্ৰ উদ্দেশ্য আছিল ভাৰতত বেহা-বেপাৰ কৰি ইয়াৰ দ্বাৰা নানা উপায়ে লাভৱান হোৱা। ১৭১৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ফাৰুখছিয়াৰে দিয়া ফৰমানৰ দ্বাৰা কোম্পানীৰ ভেটি অধিক টনকিয়াল হ'ল; কাৰণ এই ফৰমানে বিনা শুল্কই গোটেই দেশতে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীক বেহা-বেপাৰ কৰিবলৈ অনুমতি দিছিল। এই ফৰমানৰ দ্বাৰা কোম্পানীয়ে মুদ্ৰা প্ৰস্তুত আৰু প্ৰচলন কৰিবলৈকো অনুমতি লাভ কৰিছিল।

**জানি থওঁ আহা ঃ**

- বংগৰ শাসনকৰ্তা এজনৰ আত্মীয়ৰ বেমাৰ ইংৰাজ ডাক্তৰ উইলিয়াম হেমিল্টনে সুস্থ কৰি তোলাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে হুগলীত আন এটা বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ অনুমতি পাইছিল।
- নতুনকৈ অহা ভাপ চালিত প্ৰযুক্তিবিদ্যাই ইষ্ট ইণ্ডিয়া কোম্পানীক এটা ডাঙৰ ঔপনিবেশিক শক্তিলৈ ৰূপান্তৰ কৰিছিল। ভাপ চালিত জাহাজৰ প্ৰয়োগে যাত্ৰাৰ সময় বহুলাংশে হ্ৰাস কৰিছিল। উনৈশ শতিকাৰ প্ৰথম ভাগত ইংলেণ্ডৰ পৰা ভাৰতলৈ সাগৰেৰে আহিবলৈ ৬ৰ পৰা ৮ মাহ সময় লাগিছিল। ভাপ জাহাজৰ সহায়ত ভাৰতলৈ মাত্ৰ তিনি সপ্তাহত ভ্ৰমণ কৰিব পৰা হ'ল। ইয়াৰ ফলত ভাৰতলৈ ইংৰাজসকলৰ সোঁত বৰলৈ ধৰিলে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিমখ, ধপাত, তামোল আদিৰ দৰে সামগ্ৰীত একচেটিয়া ব্যৱসায় আৰম্ভ কৰিছিল। এই সুযোগতে কোম্পানীৰ চাকৰিয়ালসকলেও তেওঁলোকৰ নিজা ব্যৱসায় চলাবলৈ আৰম্ভ কৰিছিল। ফলত স্থানীয় উদ্যোগবিলাক সংকটত পৰিছিল। কোম্পানীৰ চাকৰিয়ালসকলে সূতা আৰু ৰেচমৰ শিপিনীক তেওঁলোকৰ তৈয়াৰী বস্তুবোৰ কম দামত বিক্ৰী কৰিবলৈ জোৰ-জুলুম কৰিছিল। কোম্পানীৰ ভাৰতীয় দালাল 'গোমোস্তাসকলেও শিপিনীসকলক কোম্পানীৰ প্ৰয়োজন মতে সামগ্ৰী তৈয়াৰ কৰিবলৈ দি যথেষ্ট কম দামত বিক্ৰী কৰিবলৈ বাধ্য কৰাইছিল। তেওঁলোকৰ নিৰ্দেশ মানিবলৈ অপাৰগ হ'লে শিপিনীসকলে কঠোৰ শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁলোকৰ উৎপাদিত সামগ্ৰী অধিক মূল্য দি কিনিব খোজা আন ইউৰোপীয় বেপাৰীৰ ওচৰত সামগ্ৰী বিক্ৰী কৰিবলৈ দিয়া নহৈছিল। সেয়েহে উপায়হীন হৈ বহুতে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি ত্যাগ কৰিছিল। ফলত ভাৰতীয় কুটিৰ উদ্যোগ ক্ৰমান্বয়ে ধ্বংসৰ পিনে গতি কৰিছিল।



*চিত্ৰ ১২.৪ বস্ত্ৰ উদ্যোগত নিয়োজিত শিপিনীসকল।*

**ক্ৰিয়াকলাপ ঃ**

- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত তুমি নিজকে এগৰাকী শিপিনী হিচাপে কল্পনা কৰি তোমাৰ পৰিয়ালৰ লোকসকলৰ হ'ব পৰা আৰ্থিক দুৰ্দশাৰ বিষয়ে উল্লেখ কৰা।

১৭৬৫ খ্ৰীষ্টাব্দত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কর্তৃপক্ষই বংগ, বিহাৰ, উৰিষ্যাৰ দেৱানী লাভ কৰাৰ পিছত নতুন ভূমি ৰাজহ ব্যৱস্থা যেনে— চিৰস্থায়ী বন্দবস্ত, ৰায়তৱাৰী ব্যৱস্থা, মহলদাৰী ব্যৱস্থা আদিৰ প্ৰৱৰ্তন কৰিছিল। মাটিৰ খাজনা ৰায়তৱাৰী আৰু মহলদাৰী ব্যৱস্থাত অধিক বৃদ্ধি হৈছিল আৰু খাজনাৰ নিৰিখ সঘনে সলনি হৈছিল। এই ব্যৱস্থাই সমাজত জমিদাৰ, সুদখোৰ মহাজন আদি নতুন শ্ৰেণীৰ সৃষ্টি কৰিছিল। ৰাজহ হিচাপে নগদ ধন উচ্চ হাৰত লৈছিল। কিন্তু মাটিৰ বা কৃষি পদ্ধতিৰ উন্নীতকৰণৰ বাবে তেনে কোনো ব্যৱস্থা লোৱা নাছিল। ৰাজহ আদায়ৰ কঠোৰ পদ্ধতিয়ে কৃষকসকলক কৰ পৰিশোধৰ বাবে মহাজনৰ পৰা টকা ধাৰে ল'বলৈ বাধ্য কৰাইছিল। ধাৰ পৰিশোধ কৰিব নোৱাৰিলে সেই কৃষকৰ মাটি কোম্পানীয়ে বাজেয়াপ্ত কৰিছিল। এইদৰে গাঁও অঞ্চলত ঋণগ্ৰস্ততা বাঢ়িছিল আৰু ভাৰতীয় কৃষকসকল দৰিদ্ৰ সীমাৰেখাৰ তললৈ অৱনমিত হৈছিল। ফলত কৃষি কৰ্মৰ বিস্তৰ ক্ষতিসাধন হৈছিল।



চিত্ৰ ১২.৫ মোগল সম্ৰাটৰ পৰা ৰবাৰ্ট ক্লাইভৰ বংগ-বিহাৰ আৰু উৰিষ্যাৰ দেৱানী লাভ

এটা শতিকাতকৈও কম সময়ৰ ভিতৰত ইংৰাজসকলে ভাৰতৰ এটা বৃহৎ অংশ দখল কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতত ইংৰাজসকলৰ সফলতাৰ বহুতো কাৰণ আছে। প্ৰথমতে, ভাৰতীয় ৰাজ্যবোৰৰ মাজত একতা নাছিল। পঞ্জাব, মহীশূৰ আৰু মাৰাঠাৰ দৰে শক্তিশালী ৰাজ্যবোৰে বিদেশী শত্ৰুৰ বিৰুদ্ধে একগোট হৈ থিয় দিবলৈ অপাৰগ হৈছিল। এই ৰাজ্যবোৰ ইংৰাজৰ 'বিভাজন আৰু শাসন' (Divide and rule) নীতিৰ চিকাৰ হৈছিল। আনহাতে ইংৰাজ সদায় ঐক্যবদ্ধ আছিল। বিশাল মোগল সাম্ৰাজ্যৰ পতনৰ পিছত ভাৰতীয় শাসকসকলে সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক অৱস্থা মজবুত কৰি তুলিব পৰা নাছিল। তেওঁলোকৰ বেছি ভাগেই নিজ লক্ষ্য অনুধাৱনৰ ক্ষেত্ৰত অদূৰদৰ্শিতাৰ পৰিচয় দিছিল। তেওঁলোকে প্ৰজাৰ আনুগত্য লাভ কৰিব পৰা নাছিল। ভাৰতীয় সৈন্য-বাহিনী ইংৰাজৰ শৃংখলিত প্ৰশিক্ষণ প্ৰাপ্ত সৈন্যৰ লগত ফেৰ মাৰিব পৰা নাছিল। ইংৰাজ সৈন্যসকলে যেতিয়া যুদ্ধ ক্ষেত্ৰত নতুন উন্নত ৰণকৌশল প্ৰয়োগ কৰিছিল ভাৰতীয় সৈন্য সেই ক্ষেত্ৰত যথেষ্ট পিছপৰা আছিল। ইংৰাজসকল সাগৰীয় নৌবাহিনীত শক্তিশালী আছিল কিন্তু কোনো ভাৰতীয় ৰাজ্যৰে শক্তিশালী নৌবাহিনী নাছিল।

এইদৰেই বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতলৈ অহা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বেহা-বেপাৰৰ পৰিসৰ বঢ়াবলৈ ক্ৰমান্বয়ে স্থানীয় ৰাজনীতিত হস্তক্ষেপ কৰি পিছত স্থানীয় শাসনো নিয়ন্ত্ৰণ কৰিবলৈ ধৰে। অৱশেষত সামাজিক, ৰাজনৈতিক আৰু প্ৰশাসনিক দিশৰ বিভিন্ন পৰিবৰ্তন ঘটাই কোম্পানীয়ে ভাৰতৰ ৬৩ শতাংশ অঞ্চল আৰু ৭৮ শতাংশ জনসংখ্যাক নিজৰ নিয়ন্ত্ৰণলৈ আনে। বাকী অংশখিনিও কোম্পানীৰ পৰোক্ষ নিয়ন্ত্ৰণৰ ভিতৰতেই আছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

- ১৭ শতিকাৰ শেষ আৰু ১৮ শতিকাৰ আৰম্ভণিৰ ভাগত ভাৰতৰ ৰাজনীতিৰ পট পৰিবৰ্তনৰ লগতে আৰ্থ-সামাজিক দিশতো পৰিবৰ্তন ঘটিছিল।
- ইংলণ্ডৰ বণিকসকলে প্ৰাচ্যৰ দেশবোৰৰ লগত বেহা-বেপাৰ কৰিবলৈ ১৫৯৯ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানী

প্ৰতিষ্ঠা কৰে আৰু ১৬০০ খ্ৰীষ্টাব্দত ৰাণী এলিজাবেথৰ পৰা অনুমতি লাভ কৰে।

- ১৪৯৮ খ্ৰীষ্টাব্দতে পৰ্তুগীজ নাৱিক ভাস্কো-ডা-গামাই ভাৰতলৈ অহা জলপথ আৱিষ্কাৰ কৰিছিল।
- প্ৰকৃততে ইউৰোপ আৰু প্ৰাচ্যৰ দেশসমূহৰ মাজত থকা বেপা-বেপাৰৰ পথ তুৰ্কীসকলে বন্ধ কৰি দিয়াত ইউৰোপীয় বেপাৰীসকলে ভাৰত আৰু চীন দেশলৈ আহিবলৈ নতুন সাগৰীয় পথৰ সন্ধান কৰিবলগীয়া হয়।
- ১৬ শতিকাৰ পৰা ১৮ শতিকাৰ শেষলৈ ইউৰোপৰ অৰ্থনীতি বাণিজ্যবাদে নিয়ন্ত্ৰণ কৰিছিল আৰু অৰ্থনীতিৰ মূল ভেটি আছিল সাম্ৰাজ্যবাদ।
- ব্যৱসায়-বাণিজ্য আৰু উপনিৱেশ স্থাপনৰ ক্ষেত্ৰত ভাৰতত ইংৰাজসকলৰ মুখ্য প্ৰতিদ্বন্দ্বী আছিল ফৰাচীসকল।
- ইংৰাজ, ফৰাচী, পৰ্তুগীজ, ওলন্দাজসকলৰ উপৰি ডেনিচ, প্ৰুচিয়ান, ছুইচ আৰু অষ্ট্ৰিয়ানসকলেও ভাৰতৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছিল।
- ১৭১৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ফাৰুখছিয়াৰে প্ৰদান কৰা ফৰমানৰ দ্বাৰা বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী যথেষ্ট লাভৱান হৈছিল।
- ইংৰাজসকলৰ শাসনৰ সময়ত ভাৰতীয় উদ্যোগবোৰ সংকটত পৰিছিল আৰু ভাৰতীয় কুটিৰ শিল্প ধ্বংসৰ পিনে গতি কৰিছিল।
- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৬৫ খ্ৰীষ্টাব্দত বংগ, বিহাৰ আৰু উৰিষ্যাৰ দেৱানী লাভ কৰিছিল।
- ইংৰাজৰ 'বিভাজন আৰু শাসন' নীতি আৰু ভাৰতীয় দেশীয় ৰাজ্যবোৰৰ বিভিন্ন দুৰ্বলতাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ৰাজনীতিত সোমোৱাৰ সুবিধা লাভ কৰিছিল।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কিমান খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হৈছিল?

(খ) ভাৰতলৈ অহা জলপথ পোনতে কোনজন নাৱিকে আৱিষ্কাৰ কৰে?

(গ) ওলন্দাজসকলে ভাৰতৰ কোন ঠাইত প্ৰথম দুৰ্গটো সাজে?

(ঘ) দ্বিতীয় চাৰ্লছে বোম্বাই (মুম্বাই) কাক যৌতুক দিছিল?

(ঙ) পঞ্জাব, মহীশূৰ আৰু মাৰাঠা ৰাজ্য ইংৰাজৰ কি নীতিৰ চিকাৰ হৈছিল?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| কলম্বাছ | পৰ্তুগীজ নাৱিক |
| উইলিয়াম হকিন্স | পৰ্তুগীজ ৰাজকুমাৰী |
| ভাস্কো-ডা-গামা | ইংৰাজ কটকী |
| দ্বিতীয় চাৰ্লছ | ওলন্দাজ |
| পুলিকট | আমেৰিকা |

৩। খালী ঠাই পূৰ কৰা—

ক) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে _______ খ্ৰীষ্টাব্দত ৰাণী প্ৰথম এলিজাবেথৰ পৰা প্ৰাচ্যৰ দেশৰ লগত ব্যৱসায়-বাণিজ্য কৰিবলৈ ৰাজকীয় অনুমতি পাইছিল।

খ) _______ দ্বাৰা দেশৰ অৰ্থনৈতিক কাম-কাজ চৰকাৰৰ নিয়ন্ত্ৰণাধীন কৰা হয়।

গ) ১৬৬১ খ্ৰীষ্টাব্দত দ্বিতীয় চাৰ্লছে _______ ইষ্ট ইণ্ডিয়া কোম্পানীক লীজত দিয়ে।

ঘ) ১৭১৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট _______ ইষ্ট ইণ্ডিয়া কোম্পানীক ব্যৱসায় কৰিবলৈ ফৰমান/অনুমতি প্ৰদান কৰে।

ঙ) _______ সকল সাগৰীয় নৌবাহিনীত শক্তিশালী আছিল।

৪। সত্য/অসত্য বিচাৰ কৰা—

ক) ১৮ শতিকাত মোগল সাম্ৰাজ্য শক্তিশালী আছিল।

খ) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতত ব্যৱসায় কৰা একমাত্ৰ ইউৰোপীয় কোম্পানী আছিল।

গ) ভাস্কো-ডা-গামাই ১৪৯২ খ্ৰীষ্টাব্দত কালিকটত উপস্থিত হৈছিল।

ঘ) ভাৰতীয় কৃষকসকলৰ পৰা জোৰ-জুলুমকৈ ৰাজহ সংগ্ৰহ কৰা পদ্ধতি প্ৰৱৰ্তনৰ ফলত ভাৰতীয় কৃষকসকল ঋণগ্ৰস্ততাত ভুগিছিল।

ঙ) বাণিজ্যবাদে উপনিবেশবাদক উদ্‌গনি যোগাইছিল।

৫। দলত আলোচনা কৰি টোকা প্ৰস্তুত কৰা—

ক) ইউৰোপীয় বণিজ গোষ্ঠীৰ ভাৰত আগমনৰ কাৰণ।

খ) বাণিজ্যবাদ বুলিলে কি বুজা? বাণিজ্যবাদ আৰু উপনিবেশবাদৰ মাজত সম্পৰ্ক কি?

গ) ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত ইউৰোপীয় বণিজসকলৰ প্ৰভাৱ।

৬। ভাৰতৰ এখন মানচিত্ৰ অঙ্কন কৰি পৰ্তুগীজ, ওলন্দাজ, ইংৰাজ আৰু ফৰাচীসকলৰ ব্যৱসায়িক ঘাটিবোৰ বহুওৱা।

৭। ইংৰাজসকলে ভাৰতত প্ৰৱেশ কৰাৰ পূৰ্বে ভাৰতত উপলব্ধ ভাৰতীয় কুটিৰ শিল্পৰ উদ্যোগসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

৮। '১৭ শতিকাৰ শেষ আৰু ১৮ শতিকাৰ আৰম্ভণিৰ কালছোৱাই ভাৰতৰ ইতিহাসত এক দিক্ নিৰ্ণয়কাৰী ভূমিকা লৈছিল'— উক্তিটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

✧✧✧✧✧✧